# অধ্যায় ৩ ঃ শিক্ষাত সমসাময়িক সমস্যা আৰু চিন্তাৰ বিষয়সমূহ
## (CONTEMPORARY ISSUES AND CONCERNS IN EDUCATION)

## অধ্যায় গাঁথনি


৩.১ শিকন উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ গণতন্ত্ৰ আৰু শিক্ষা
৩.৩.১ গণতান্ত্ৰিক শিক্ষাৰ মৌলিক উদ্দেশ্য
৩.৩.২ গণতান্ত্ৰিক শিক্ষাত শিক্ষকৰ ভূমিকা
৩.৪ উদাৰীকৰণ আৰু শিক্ষা
৩.৪.১ শিক্ষাত উদাৰীকৰণৰ সুবিধা
৩.৫ ব্যক্তিগতকৰণ আৰু শিক্ষা
৩.৫.১ শিক্ষাৰ ব্যক্তিগতকৰণ ঘটাৰ কাৰণসমূহ
৩.৫.২ ব্যক্তিগতকৰণৰ সুবিধা আৰু অসুবিধা
৩.৫.৩ ৰাজহুৱা-ব্যক্তিগত অংশীদাৰত্ব আৰু শিক্ষা
৩.৬ বিশ্বায়ন আৰু শিক্ষা
৩.৬.১ বিশ্বায়ন আৰু শিক্ষাৰ অৰ্থ তথা ধাৰণা
৩.৬.২ সমাজত বিশ্বায়ন আৰু শিক্ষাৰ প্ৰভাৱ
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্ৰগতিৰ খতিয়ান
৩.১০ আৰ্হি প্ৰশ্ন


## ৩.১ শিকন উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- শিক্ষাৰ গণতান্ত্ৰিক আৰ্দশ আৰু এখন গণতান্ত্ৰিক সমাজত ইয়াৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব
- উদাৰীকৰণ আৰু শিক্ষাৰ বৈশিষ্ট্য চিনাক্ত কৰিব পাৰিব
- শিক্ষা ক্ষেত্ৰত ব্যক্তিগতকৰণৰ ভূমিকা বৰ্ণনা কৰিব পাৰিব
- সমসাময়িক ভাৰতীয় সমাজত বিশ্বায়নৰ প্ৰভাৱ আলোচনা কৰিব পাৰিব ।

## ৩.২ পৰিচয়

এই অধ্যায়টি হ'ল 'সমসাময়িক ভাৰতীয় সমাজত শিক্ষা' নামৰ পাঠ্যবিষয়ৰ তৃতীয় অধ্যায়। ইয়াৰ আগৰ অধ্যায় দুটাত আমি সমাজ আৰু শিক্ষা বিষয়ক বিভিন্ন দৃষ্টিভংগীৰ লগতে ভাৰতীয় সমাজত থকা অসমতা বোৰৰ বিষয়ে আলোচনা কৰিছো। এই অধ্যায়টিত আমি শিক্ষা ক্ষেত্ৰখনৰ কেইটামান সমসাময়িক সমস্যা আৰু চিন্তাৰ বিষয় আলোচনা কৰিম। অধ্যায়টিৰ জৰিয়তে গণতন্ত্ৰ, উদাৰীকৰণ, ব্যক্তিগতকৰণ, বিশ্বায়ন আদি ধাৰণাৰ শিক্ষাৰ সৈতে থকা সম্পৰ্কৰ বিষয়ে জনাবলৈ প্ৰয়াস কৰা হ'ব।

## ৩.৩ গণতন্ত্ৰ আৰু শিক্ষা (DEMOCRACY AND EDUCATION)

সমসাময়িক ভাৰতীয় সমাজত বহুলভাৱে ব্যৱহৃত বৈশিষ্ট্যপূৰ্ণ অভিধা দুটা হ'ল গণতন্ত্ৰ (Decocracy) আৰু শিক্ষা (Education )। গণতন্ত্ৰ শব্দটোৰ ব্যুৎপত্তিগত ব্যাখাৰ পৰাই শিক্ষাৰ গণতান্ত্ৰিক দৰ্শনৰ মূল বিষয়বস্তু সম্পৰ্কে বুজিব পাৰি। 'Demos' শব্দৰ অৰ্থ হ'ল মানুহ আৰু 'Kratis' শব্দৰ অৰ্থ হ'ল ক্ষমতা। এই দুয়োটা গ্ৰীক শব্দ যোগ কৰি পোৱা অৰ্থটো হ'ল মানুহৰ দ্বাৰা কৰা শাসন। "যদি মানুহে নিজে নিজকে শাসন কৰিব খোজে আৰু কোনো ৰজা, স্বেচ্ছাছাৰী শাসক, অভিজাত সম্প্ৰদায়, অলপজনৰ শাসন অথবা ধনীকতন্ত্ৰৰ শাসনৰ অধীন হৈ থাকিব নোখোজে, তেন্তে নিজকে শাসন কৰিব পৰাকৈ যোগ্য হ'বলৈ মানুহ শিক্ষিত হ'ব লাগিব।" উপযুক্ত জ্ঞান আৰু প্ৰশিক্ষণ অবিহনে স্ব-শাসনৰ প্ৰত্যাশা পূৰণ কৰাটো প্ৰায় অসম্ভৱ। সেয়েহে শিক্ষাৰ আৰ্দশ, পদ্ধতি আৰু সংগঠনৰ দিশকেইটাৰ বিন্যাস এনে হ'ব লাগিব যে ই ব্যক্তিৰ চৰিত্ৰৰ মৌলিক গুণবোৰ বিকশিত কৰে। গণতান্ত্ৰিক জীৱনৰ সফল কাৰ্যসম্পাদনৰ বাবে এই গুণবোৰ অতি প্ৰয়োজনীয়।

গণতন্ত্ৰৰ ধাৰণাটোৰ সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ আৰ্দশৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। গণতন্ত্ৰৰ সফলতাই এক ন্যায়সংগত সামাজিক শৃংখলাৰ পূৰ্বানুমান কৰে। লগতে ই এনে এখন চৰকাৰৰ কথা কয় যিখনে ৰাষ্ট্ৰৰ নাগৰিকৰ মাজত পৰিয়াল আৰু ধৰ্মভিত্তিক কোনো ধৰণৰ বৈষম্যমূলক আচৰণ নকৰে। সেয়েহে উত্থানমুখী ভাৰতীয় সমাজৰ শিক্ষাৰ্থীসকলে গণতন্ত্ৰ, সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ বিষয়ে শুদ্ধ জ্ঞান বিকশাই তোলা উচিত।

### ৩.৩.১ গণতান্ত্ৰিক শিক্ষাৰ মৌলিক উদ্দেশ্য (Basic Objectives of Democratic Education)

- **ব্যক্তিৰ মৰ্যাদাক জনোৱা সন্মান ৰূপে গণতন্ত্ৰ ঃ** গণতন্ত্ৰ হ'ল বহুতৰ দ্বাৰা বহুতৰ বাবে বহুতৰ চৰকাৰ। সেয়েহে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ শৈক্ষিক বিন্যাসটোও বহুতৰ স্বাৰ্থৰ ওপৰত আধাৰিত। ইয়াৰ উপৰি গণতন্ত্ৰই সকলো লোকৰে মৌলিক মৰ্যাদাত বিশ্বাস কৰে।

- **স্বাধীনতা ৰূপে গণতন্ত্ৰ ঃ** মানুহৰ স্ব-ৰাজত্বৰ প্ৰকৃতি ভিন্ ভিন্ ধৰণৰ। মানুহ সদায় স্বাধীনচিতীয়া হ'ব খোজে। ব্যক্তিয়ে যদি সমতাপূৰ্ণ সমাজ এখনত জন্মলাভ কৰে তেন্তে তেওঁ জীৱনত স্বাধীনতাৰ গুৰুত্ব অনুভৱ নকৰিবও পাৰে। কাৰণ তেনে সমাজত সকলোৰে প্ৰয়োজনীয়তাবোৰ হুবহু একে নহ'লেও একে ধৰণৰ হ'ব।
- **সমতা ৰূপে গণতন্ত্ৰ ঃ** গণতান্ত্ৰিক নীতি অনুসৰি "সকলো ব্যক্তিকে সমান ৰূপে সৃষ্টি কৰা হৈছে"। সেয়েহে সকলো ব্যক্তিয়ে শিক্ষাৰ ক্ষেত্ৰত সমান সুযোগ পোৱা উচিত।
- **ভাগ-বটোৱাৰা প্ৰক্ৰিয়া ৰূপে গণতন্ত্ৰ ঃ** গণতন্ত্ৰৰ সৈতে জড়িত এই ধাৰণাটোৰ সমৰ্থকসকলে দাবী কৰে যে গণতন্ত্ৰৰ প্ৰকৃতি ব্যক্তিস্বাতন্ত্ৰবাদী (individualistic) হোৱা উচিত। গণতান্ত্ৰিক সমাজৰ প্ৰকৃতি পাৰস্পৰিক ভাগ-বাটোৱাৰাৰ উদ্দেশ্যৰ ওপৰত আধাৰিত হোৱা উচিত।
- **সামাজিক ন্যায়ৰ প্ৰতি আসক্তি ঃ** সামাজিক ন্যায়ৰ প্ৰতি আসক্তিয়ে সামাজিক চেতনাৰ দ্ৰুত উত্থানত সহায় কৰে। ইয়াৰ ফলশ্ৰুতিত কোনো এখন দেশৰ যুৱক-যুৱতীয়ে জাতি, গোষ্ঠী, বংশ আৰু নাগৰিকত্ব নিৰ্বিশেষে নিজে পাবলৈ ইচ্ছা কৰা শুভ বস্তুবোৰ দাবী কৰিবলৈ শিকে।
- **সহিষ্ণুতা ঃ** গণতান্ত্ৰিক শিক্ষাৰ আন এক গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে সহিষ্ণুতা শিকোৱা। এখন প্ৰকৃত গণতান্ত্ৰিক সমাজে ব্যক্তি তথা দলৰ মাজত থাকিব পৰা সাংস্কৃতিক আৰু বৌদ্ধিক পাৰ্থক্যবোৰক আদৰি লোৱাৰ ধাৰণা-চিন্তাৰ মুক্ত চৰ্চাৰ অনুমতি দিয়ে। উত্থান প্ৰক্ৰিয়া চলি থকা ভাৰতীয় সমাজৰ বাসিন্দাৰ বৌদ্ধিক তথা আবেগিক দৃষ্টিভংগী কৰ্ষণ কৰি 'সহিষ্ণুতা'ৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস চলোৱা উচিত।
- **সমালোচনামূলক বুদ্ধিমত্তা কৰ্ষণ ঃ** এখন গণতান্ত্ৰিক সমাজত শিক্ষাৰ আন এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হ'ল সমালোচনামূলক বুদ্ধিমত্তাৰ কৰ্ষণ কৰা। ইয়াৰ ফলাফল হিচাপে শিক্ষাৰ্থীয়ে অজ্ঞতা আৰু নিৰ্লিপ্ততাৰ পৰা মুক্তি লাভ কৰিব।
- **দেশৰ প্ৰতি প্ৰেম ঃ** এখন দেশৰ সাংস্কৃতিক, বৌদ্ধিক, কলাসুলভ, ন্যায়নিষ্ঠ আৰু আদৰ্শগত সফলতাৰ বাবে সৰ্বোত্তম শুভকামনা সম্বলিত উৰ্দ্ধগাৰ মনোভাৱকে দেশপ্ৰেম বোলা হয়। এই প্ৰেম সংকীৰ্ণ জাতীয়তাবাদ আৰু সংকীৰ্ণ দেশপ্ৰেমৰ উৰ্দ্ধত।
- **শিক্ষাই কামৰ প্ৰতি প্ৰেম বিকশাই তোলা উচিত ঃ** বৰ্তমানৰ শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক উচ্চ শ্ৰেণীত নামভৰ্তি কৰিব পৰাকৈ যোগ্য কৰি তোলে কিন্তু জীৱনৰ বাবে অনুপযুক্তকৈ গঢ় দিয়ে। ই কেৱল 'দৈহিক শ্ৰমহীন বৃত্তিধাৰী বাবু' (White Coloured baboos) শ্ৰেণী এটাৰ সৃষ্টি কৰে। এই শ্ৰেণীটোৱে 'দিয়া'ৰ সলনি

‘লোৰা’ৰ দৰ্শনত বিশ্বাস কৰে। তেওঁলোকে উৰ্ছগাৰ মনোভাৱ অথবা কৰ্মৰ জৰিয়তে ‘লোৰা’ৰ সলনি শোষণৰ সহায় লয়।

- **নেতৃত্বৰ প্ৰশিক্ষণ ঃ** ৰাজনৈতিক নেতৃত্ব সন্দৰ্ভত ‘অথৰ্ৱবেদ’ত উল্লেখ আছে “যদি নেতৃত্ব ঈশ্বৰপ্ৰদত্ত গুণৰ অধিকাৰী নহয় তেন্তে তেওঁ কেনেদৰে অনুধাৱন কৰিব যে আই বসুমতীয়ে বিভিন্ন ভাষা, সংস্কৃতি আৰু ধৰ্মৰ একতা বৰ্তাই ৰাখে তথা প্ৰকট কৰে?” এই চিন্তা বৈদিক যুগৰ পৰাই চলি আহিছে।

## ৩.৩.২ গণতান্ত্ৰিক শিক্ষাত শিক্ষকৰ ভূমিকা (Role of Teacher in Democratic Education)

শিক্ষক হ’ল সমাজ গঢ়োঁতা। শিক্ষাৰ গণতান্ত্ৰিক আঁচনি এখনত শিক্ষকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। শিক্ষকসকলক গণতন্ত্ৰই মানি চলা সকলো প্ৰমূল্যৰ বাহক বুলি ধৰা হয়। ল’ৰা-ছোৱালীয়ে অধ্যয়নৰ জৰিয়তে নহয়, শিক্ষকৰ পৰাহে গণতন্ত্ৰৰ ধাৰণাটো সহজে আয়ত্ব কৰে। শিক্ষকসকল নিজৰ দৃষ্টিভংগী আৰু আচৰণৰ ক্ষেত্ৰত অধিক গণতান্ত্ৰিক আৰু মানৱীয় হোৱা উচিত। শিক্ষকসকল বস্তুনিষ্ঠ হোৱা উচিত। ই তেওঁলোকক পক্ষপাতিত্ব আৰু প্ৰিয়পাত্ৰবাদ (favouritism)ৰ পৰা আঁতৰত ৰাখিব। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ প্ৰথম প্ৰয়াস (initiative) বোৰক উৎসাহিত কৰিব লাগিব। তেওঁলোকে ল’ৰা-ছোৱালীক প্ৰশ্ন সোধাৰ সুযোগ দিব লাগিব, ল’ৰা-ছোৱালীৰ সৈতে আলোচনা কৰিব লাগিব। তেওঁলোকে ল’ৰা-ছোৱালীক এনে কাৰ্যত ভাগ ল’বলৈ উদ্দীপনা যোগাব লাগিব। শিক্ষকে কৰ্তৃত্ব প্ৰয়োগ এৰাই চলিব লাগিব আৰু ল’ৰা-ছোৱালীক স্বাধীনতা দিব লাগিব। শিক্ষকে এনে পৰিৱেশ গঢ়ি তুলিব লাগিব য’ত ল’ৰা-ছোৱালীয়ে নিজে শৃংখলাবদ্ধতা শিকে। এইখিনিতে ৰবীন্দ্ৰনাথ ঠাকুৰৰ উক্তি এযাৰ উল্লেখ কৰিব পাৰি, “যিসকল ধৈৰ্যশীল আৰু সহনশীল সেইসকল ব্যক্তিহে শিক্ষক হ’বৰ যোগ্য।” তেওঁ ইয়াকো কৈছিল যে, “যি ভাল পাব জানে কেৱল তেওঁহে শিকাব পাৰে। মানুহৰ মহান শিক্ষকসকল সদায়েই মানৱ জাতিৰ প্ৰেমিক। প্ৰকৃত শিক্ষণ হ’ল এক উপহাৰ। ই এক বলিদান। ই নিয়মত বন্ধা কাৰ্যৰ এক নিৰ্মাণসাধ্য সামগ্ৰী নহয়। শিক্ষণ এক জীৱন্ত কাৰ্য। ই শিক্ষকৰ নিজৰ জ্ঞানৰ পৰিপূৰ্ণতা।” ৰবীন্দ্ৰনাথৰ উক্তিৰ পৰাই গণতান্ত্ৰিক সমাজত শিক্ষকৰ ভূমিকাৰ কথা গম পোৱা যায়। এখন গণতান্ত্ৰিক দেশত এগৰাকী আদৰ্শ শিক্ষকৰ হাতত তিনিবিধ প্ৰধান আহিলা থকা উচিত— শিক্ষণ, উদাহৰণ আৰু প্ৰভাৱ (teaching, example and influence)। এই তিনিবিধ আহিলাৰ সহায়ত তেওঁ নিজৰ শিক্ষণ প্ৰাণৱন্ত আৰু ফলপ্ৰসূ কৰি তুলিব পাৰে। তেওঁ নিজৰ বিষয়টোৰ জ্ঞানৰ সৈতে জড়িত আৰ্দশ তথা প্ৰমূল্যবোৰৰ প্ৰতি মনে-প্ৰাণে সমৰ্পিত হোৱা উচিত। শিক্ষক বিদ্যায়তনিক নৈপুণ্যৰ গৰাকী হোৱা উচিত যাতে তেওঁ ল’ৰা-ছোৱালীৰ মানসিক, আধ্যাত্মিক, নৈতিক আৰু শাৰীৰিক বিকাশত সহায় কৰিব পাৰে। শিক্ষকে শ্ৰেণীকোঠাত যি ধাৰণা শিকায় সেই

ধাৰণাবোৰ তেওঁৰ নিজৰ জীৱনত প্ৰতিফলিত হোৱা উচিত। ইয়াৰ ফলাফল স্বৰূপে তেওঁ নিজৰ ছাত্ৰ-ছাত্ৰীক গণতান্ত্ৰিক আৰ্দশবোৰ অনুসৰণ কৰিবলৈ প্ৰভাৱিত কৰিব পাৰিব। এগৰাকী শিক্ষক সকলো ধাৰণা, বিশ্বাস তথা জীৱন যাপন পন্থাৰ প্ৰতি মুকলি মনৰ আৰু সহনশীল হোৱা উচিত। নৱউন্মেষ ঘটা ভাৰতীয় সমাজৰ শিক্ষা ব্যৱস্থাটো আগবঢ়াই নিবলৈ শিক্ষকৰ প্ৰয়োজন। শিক্ষকৰ গাত ওপৰত উল্লেখ কৰা গুণবোৰ থকা উচিত। তেওঁলোকে বন্ধু, দাৰ্শনিক, পথ-প্ৰদৰ্শক তথা সমাজ সংস্কাৰকৰ কাম কৰিব পাৰিব লাগিব।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ১ঃ ক'ৰপৰা গণতন্ত্ৰ বুজোৱা ইংৰাজী শব্দ 'Democracy' ৰ উদ্ভৱ হৈছে?

..........................................................................................

..........................................................................................

প্ৰশ্ন নং ২ঃ গণতন্ত্ৰৰ ধাৰণাটোৰ দুটা 'বাদ'ৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। এই 'বাদ' দুটা কি কি?

..........................................................................................

..........................................................................................

প্ৰশ্ন নং ৩ঃ গণতান্ত্ৰিক শিক্ষাৰ মৌলিক উদ্দেশ্যবোৰ কি?

..........................................................................................

..........................................................................................

## ৩.৪ উদাৰীকৰণ আৰু শিক্ষা (LIBERALIZATION AND EDUCATION)

সাধাৰণ অৰ্থত উদাৰীকৰণ মানে হ'ল কোনো এখন চৰকাৰে কিছুমান আইন অথবা নীতি-নিয়মৰ পৰা নাগৰিকক মুক্ত কৰি দিয়া নাইবা আইন তথা নীতি-নিয়ম শিথিল কৰি দিয়া ব্যৱস্থা। শিক্ষাত উদ্দাৰীকৰণ মানে হ'ল এনে এক শিক্ষা ব্যৱস্থা অথবা পাঠ্যক্ৰম যিটো মুক্ত মানৱ (free human being) কৰ্ষণৰ বাবে উপযুক্ত। শিক্ষাত উদাৰীকৰণৰ সংজ্ঞা এনেদৰে দাঙি ধৰিব পাৰি— উদাৰীকৰণ হ'ল "শিক্ষাৰ এনে এক দৰ্শন যিয়ে ব্যক্তিক বহল জ্ঞান, হস্তান্তৰসাধ্য দক্ষতা আৰু প্ৰমূল্য, ন্যায়নিষ্ঠতা তথা পৌৰ ব্যস্ততাৰ এক সবলতৰ বোধেৰে সমৃদ্ধ কৰি তোলে। ইয়াৰ বৈশিষ্ট্য হ'ল ই গুৰুত্বপূৰ্ণ সমস্যাবোৰক সমুচিত প্ৰত্যাহ্বান জনাব পাৰে। সমগ্ৰ ব্যৱস্থাটোক এক নিৰ্দিষ্ট পাঠ্যক্ৰম অথবা অধ্যয়ন ক্ষেত্ৰ বোলাতকৈ অধ্যয়নৰ এক উপায় বোলাটোহে শ্ৰেয়।" উনবিংশ শতিকাত জন হেনৰী নিউমেন আৰু ই.ডি. মৌৰিচৰ দৰে চিন্তাবিদসকলে উদাৰ শিক্ষাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল।

আদৰ্শগতভাৱে উদাৰ শিক্ষাই মুকলি মনৰ ব্যক্তি গঢ়ি তোলে। এনে ব্যক্তি

প্ৰাদেশিকতাবাদৰ দৰে মানসিক সংকীৰ্ণতা, ধৰ্মান্ধতাৰ পৰা মুক্ত হোৱাৰ লগতে নিজ মতামত তথা বিচাৰ সম্পৰ্কে চিন্তাশীল আৰু সামাজিক তথা প্ৰাকৃতিক পৃথিৱীত নিজৰ স্থান সম্পৰ্কে সজাগ হয়। এনে শিক্ষা ব্যৱস্থাই শিক্ষানুষ্ঠানৰ বাহিৰৰ সমূহীয়া সেৱা, শিক্ষানবিচৰ দ্বাৰা চলোৱা গৱেষণা আদিৰ জৰিয়তে সক্ৰিয় নাগৰিকত্বও কৰ্ষণ কৰে। বৃত্তিমূলক (professional) আৰু বৃত্তিমুখী (vocational) শিক্ষাই ছাত্ৰ-ছাত্ৰীক কেৱল কৰ্মজীৱনৰ বাবেহে যোগ্য কৰি তোলে। উদাৰ শিক্ষাই কিন্তু ছাত্ৰ-ছাত্ৰীক সমগ্ৰ জীৱনৰ বাবে প্ৰস্তুত কৰি তোলে। এনে শিক্ষাই জীৱনৰ সকলো অন্তৰায় আতৰাব পৰাকৈ ব্যক্তিৰ প্ৰয়োজনীয় দক্ষতাৰ বিকাশ ঘটায়।

উদাৰ শিক্ষাৰ ভূমিকা বিবেচনা কৰি চাই আমি ক'ব পাৰোঁ যে উদাৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ মনবোৰ অভ্যাস আৰু পৰম্পৰাৰ বান্ধোনৰ পৰা মুক্ত কৰে। ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ ফলত নিজ চিন্তা আৰু ভাষ্যৰ দায়িত্ব মূৰ পাতি ল'ব পৰা হয়। এনে শিক্ষাৰ জৰিয়তেহে প্ৰতিগৰাকী ব্যক্তিৰ সম্পূৰ্ণ মানৱ হ'ব পৰা সামৰ্থৰ বিকাশ ঘটিব। এগৰাকী সম্পূৰ্ণ মানৱ মানে হ'ল আত্ম-সচেতন, আত্ম-শাসন মানি চলা ব্যক্তি যিয়ে জন্মস্থান, লিংগ অথবা নৃগোষ্ঠীয় উৎস নিৰ্বিশেষে অন্য মানুহৰ মানৱীয়তাক সন্মান জনাবলৈ সক্ষম। কেৱল নিয়োগসাধ্যতাৰ বাবেই নহয়, উদাৰ শিক্ষা ব্যক্তিসত্বাৰ গুণগত মান গঢ়া তথা বৰ্তাই ৰখাৰ প্ৰকল্প, গণতান্ত্ৰিক সমাজ আৰু দৈনন্দিন জীৱনৰ বাবেও প্ৰয়োজনীয়। উদাৰ শিক্ষাই তলৰ কাৰ্যবোৰ সম্ভৱ কৰি তোলে----

(ক) ব্যক্তিক নিজ সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়ে সমালোচনাত্মক আত্ম-পৰীক্ষণৰ সুযোগ দিয়ে।

(খ) বৃহৎ মানৱ জাতিৰ মাজৰে এগৰাকী বুলি নিজকে অনুভৱ কৰাৰ লগতে আৰু এজনে আনজনৰ সুখ-দুখ, চিন্তা আদিৰ সমভাগী হোৱাৰ সুযোগ দিয়ে।

(গ) বৰ্ণনাত্মক কল্পনা তথা কোনো কথাত জোৰ দিয়াৰ সামৰ্থ গঢ়ি তোলে।

### ৩.৪.১ শিক্ষাত উদাৰীকৰণৰ সুবিধা (Benefits of Liberalization in Education)

উদাৰ শিক্ষাৰ সুবিধাবোৰ হ'ল -

- সমাজ সমৃদ্ধ কৰে ঃ উদাৰ শিক্ষাত শিক্ষাৰ্থীসকলে সকলো বিষয়ৰ পৰ্যাপ্ত তথ্য লাভ কৰে। ফলত দৃষ্টিভংগীৰ প্ৰতি সন্মান তথা সমতাৰ প্ৰতি দায়বদ্ধতাৰ সৃষ্টি হয় আৰু ই সমাজ সমৃদ্ধ কৰাত সহায় কৰে।
- বিশ্ব সম্পৰ্কে উন্নতৰ অৰ্ন্তদৃষ্টি ঃ উদাৰ শিক্ষাই ইতিহাসৰ পৰা জীৱবিজ্ঞানীলৈকে বহুতো বিষয় সামৰি লয়। এনে শিক্ষাই বিভিন্ন দৰ্শন, ঘটনা, সম্ভাৱনীয়তা আদিৰ বিস্তৃত জ্ঞানৰ যোগান ধৰে। ফলত আমাৰ পৃথিৱীখনক বুজাৰ ক্ষমতা উন্নতৰ হয়।
- নিয়োগকৰ্তাক উপকৃত কৰে ঃ আজিকালি বেছিভাগ নিয়োগকৰ্তাই উদাৰ শিক্ষাৰে শিক্ষিত স্নাতকক নিযুক্তি দিবলৈ বিচাৰে। তেওঁলোকে সংকীৰ্ণ শিক্ষাৰে শিক্ষিত

পৰিৱৰ্তনশীল বিশ্ব অৰ্থনীতিৰ সৈতে খাপ খাব নোৱাৰা লোকক নিযুক্তি দিয়া বাদ দিছে বুলিব পাৰি। উদাৰ শিক্ষাৰে শিক্ষিত কৰ্মচাৰীৰ অত্যাধুনিক উপায়েৰে সংযোগ স্থাপন তথা দলীয় কৰ্ম কৰাৰ লগতে বিশ্লেষণাত্মক দক্ষতা থাকে।

- সমস্যাৰ সন্মুখীন হোৱাৰ দক্ষতা ঃ উদাৰ শিক্ষা হ'ল ব্যক্তিক সবল কৰি তোলাৰ এটা পথ। এনে শিক্ষাই মানুহক জটিলতা, বৈচিত্ৰ্য আৰু পৰিৱৰ্তনৰ মুখামুখি হ'ব পৰাকৈ প্ৰস্তুত কৰি তোলে।
- জ্ঞানৰ প্ৰয়োগ ঃ উদাৰ শিক্ষাই ব্যক্তিক বিভিন্ন ধৰণে সহায় কৰে। ই ব্যক্তিৰ বাস্তৱ জগতৰ পটভূমিত আৰ্জিত জ্ঞান তথা দক্ষতা প্ৰয়োগ কৰিব পৰা প্ৰদৰ্শনমূলক সামৰ্থৰ বিকাশ ঘটায়।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ৪ঃ শতিকাত উদাৰ শিক্ষালৈ সমৰ্থন আগবঢ়োৱা চিন্তাবিদ কেইগৰাকীমানৰ নাম লিখক।

..................................................................................................

..................................................................................................

প্ৰশ্ন নং ৫ঃ উদাৰ শিক্ষাই আমাক দৈনন্দিন জীৱনত কেনেদৰে সহায় কৰে?

..................................................................................................

..................................................................................................

প্ৰশ্ন নং ৬ঃ শিক্ষাত উদাৰীকৰণৰ কেইটামান সুবিধাৰ কথা উল্লেখ কৰক।

..................................................................................................

..................................................................................................

## ৩.৫ ব্যক্তিগতকৰণ আৰু শিক্ষা (PRIVATIZATION AND EDUCATION)

ব্যক্তিগতকৰণ হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে কোনো ব্যৱসায়, উদ্যোগ, এজেন্সী, ৰাজহুৱা সম্পত্তি আদিৰ মালিকীস্বত্ব ৰাজহুৱা খণ্ডৰ পৰা ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হয়। ইয়াৰ দ্বাৰা চৰকাৰে ৰাজহ সংগ্ৰহ, আইন বলবৎকৰণ আদি কাৰ্যৰ বাবে সেৱা অথবা কাৰ্য সম্পাদন কৰ্তৃত্ব কোনো ব্যক্তিগত ফাৰ্মক প্ৰদান কৰাতো (Outsourcing) বুজোৱা হয়।

ভাৰতত গঠন কৰা বিভিন্ন কমিটি আৰু আয়োগ শিক্ষাৰ মহৎ উদ্দেশ্যক বাস্তৱ ৰূপ দিবলৈ ব্যক্তিগত এজেন্সীবোৰক উদাৰভাৱে অনুদান আগবঢ়াবলৈ চৰকাৰক পৰামৰ্শ দি আহিছে। ১৮৮২-১৯০২ চনৰ মাজৰ সময়ছোৱাত হাজাৰ হাজাৰ ভাৰতীয়ই অধিক শিক্ষাৰ ৰাজহুৱা দাবী সৃষ্টি তথা পূৰণ কৰিছিল। এইসকল ভাৰতীয়ই দেশত জাতীয় জীৱনৰ ভেটি নিৰ্মাণ কৰিছিল। বিংশ শতিকাৰ শেষৰ ফালে গুণগত তথা পৰিমাণগত বিকাশেৰে সৈতে শিক্ষাৰ বহল প্ৰসাৰ ঘটিছিল। দুৰ্ভাগ্যজনকভাৱে দ্বিতীয় বিশ্বযুদ্ধ (১৯৩৯-৪৫) ৰ সামৰণি পৰাৰ লগে লগে নতুনকৈ

স্বাধীন হোৱা ভাৰতৰ ৰাজহুৱা উদ্যোগবোৰ যথেষ্ট আহুকালৰ মুখামুখি হ'বলগীয়া হৈছিল। উদ্যোগবোৰলৈ সাহায্য অনুদান (grants-in-aid) আগবঢ়োৱা নীতি যিমান পাৰি সিমানে গ্ৰহণ কৰা হৈছিল। দেশৰ চৰকাৰী আৰু ব্যক্তিগত এজেন্সীবোৰে ঘনিষ্ঠ সহযোগিতাৰে কাম কৰি আহিছে। ব্যক্তিগত এজেন্সীবোৰে প্ৰাথমিকৰ পৰা উচ্চতৰ পৰ্যায়লৈ শিক্ষাৰ সকলো ক্ষেত্ৰতে আধিপত্য বিস্তাৰ কৰিছে। ইয়াৰ ফলত দেশত বিদ্যালয় তথা শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাইছে।

ব্যক্তিগত এজেন্সীবোৰ হ'ল কিছুমান পঞ্জীয়নভুক্ত নিকায়। এনে এজেন্সীৰ নিজা নিৰ্বাচিত অথবা নিযুক্তিপ্ৰাপ্ত (elected or appointed) ব্যৱস্থাপনা কমিটি থাকে। এনে নিকায়বোৰে চৰকাৰী অনুদান লাভ কৰাৰ আগতে কিছুমান নিৰ্দিষ্ট ন্যূনতম প্ৰয়োজনীয়তা পূৰণ কৰি চৰকাৰৰ স্বীকৃতি আহৰণ কৰিব লাগে। নিকায়বোৰে নিজৰ সম্পদেৰে গৃহ নিৰ্মাণ কৰে আৰু অন্য প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰে। তেওঁলোকে নিৰ্দেশনামূলক চৰ্ত মানি চলি সেইমতে কৰ্মচাৰী নিযুক্তি দিয়ে তথা নিয়ন্ত্ৰণ কৰে।

### ৩.৫.১ শিক্ষাৰ ব্যক্তিগতকৰণ ঘটাৰ কাৰণসমূহ (Causes of Privatization of Education)

শিক্ষাৰ ব্যক্তিগতকৰণ ঘটাৰ প্ৰধান কাৰণবোৰ হ'ল —

- শৈক্ষিক অনুষ্ঠান ক্ৰমাৎ সম্প্ৰসাৰিত হৈছে আৰু ইয়াৰ সংখ্যা আগতকৈ বহুত বাঢ়িছে। ৰাষ্ট্ৰই প্ৰধানকৈ এনে অনুষ্ঠান পৰিচালনাৰ দায়িত্ব পালন কৰে যদিও বৰ্তমান ৰাষ্ট্ৰই এই দায়িত্ব পালন কৰিব নোৱাৰা হৈছে। সম্পদৰ সীমাবদ্ধতাৰ বাবে ৰাষ্ট্ৰই শিক্ষা ব্যৱস্থাৰ অধিক বিস্তাৰক লৈ নাগৰিকৰ যি গণতান্ত্ৰিক প্ৰত্যাশা সেই প্ৰত্যাশা পূৰোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। সেয়েহে শিক্ষা খণ্ডত ব্যক্তিগত খণ্ডৰ প্ৰৱেশ ঘটা উচিত বুলি অনুভৱ কৰা হৈছে। ইয়াৰ দ্বাৰা শিক্ষাখণ্ডলৈ অনুদান আগবঢ়োৱাৰ দায়িত্ব ভাগ-বটোৱাৰা কৰিব পৰা যাব।
- বিশ্বত সম্প্ৰতি 'জ্ঞান বিস্ফোৰণ' (knowledge explosion) ঘটিছে। অনুন্নত অৰ্থনীতিৰ দেশবোৰে এই জ্ঞান বিস্ফোৰণৰ সৈতে ফেৰ মৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। উন্নয়ন প্ৰক্ৰিয়াৰ এক প্ৰধান কাৰক হিচাপে শিক্ষা অথবা জ্ঞান উদ্যোগ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ লৈছে। সেয়েহে আজি আৰু শিক্ষাক সমাজ সেৱা বুলি গণ্য কৰা নহয়। ইয়াক বৰ্তমান এক প্ৰয়োজনীয় অৰ্থনৈতিক বিনিয়োজন বুলি বিবেচনা কৰা হয়। এই প্ৰয়াসত ব্যক্তিগত খণ্ডয়ো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি ভবা হৈছে। কাৰণ ব্যক্তিগত খণ্ড হ'ল জ্ঞান উদ্যোগৰ এক প্ৰধান হিতাধিকাৰী।
- বিশ্বত চতুৰ্থটো ঔদ্যোগিক বিপ্লৱ চলি আছে। এই বিপ্লৱলৈ অৰিহণা যোগাইছে তথ্য প্ৰযুক্তি, জৈৱ প্ৰযুক্তি, নেন' প্ৰযুক্তি, ৰ'ব'টিকচ্, লেজাৰৰ প্ৰয়োগে নব্য ঔদ্যোগিক সামগ্ৰীবোৰে। চেটেলাইট টেলিভিছনৰ বিকাশে তথ্য বিপ্লৱক সমগ্ৰ

বিশ্বতে অধিক শক্তিশালী ৰূপ প্ৰদান কৰিছে। কম্পিউটাৰ প্ৰযুক্তিৰ উন্নতিয়ে এই দিশত অতিৰিক্ত অৰদান আগবঢ়াইছে। প্ৰযুক্তিগত উন্নতিৰ বাবে শিক্ষিত, দক্ষ আৰু কাৰিকৰী জ্ঞানসমৃদ্ধ মানৱ শক্তিৰ প্ৰয়োজনো বৃদ্ধি পাইছে। শিক্ষা খণ্ডলৈ সম্পদ আবন্টনৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ কিছু সীমাবদ্ধতা আছে। সেয়েহে শিক্ষাখণ্ডই উদ্যোগ তথা অন্য খণ্ডৰ প্ৰয়োজনীয়তা পূৰণ কৰিব নোৱাৰে। অৰ্থনৈতিক দিশেৰে দক্ষ মানৱশক্তি গঢ়াৰ কাৰ্যসূচীবোৰত ব্যক্তিগত খণ্ডক প্ৰৱেশৰ সুযোগ দিয়াটো প্ৰয়োজনীয় হৈ পৰিছে। তেতিয়াহে ক্ৰমবিকশিত প্ৰযুক্তিৰ সুবিধা গ্ৰহণ কৰিব পৰা যাব।

- ব্যক্তিগতকৰণে ৰাজহুৱা খণ্ডতকৈ অধিক ফলপ্ৰসূ তথা দ্ৰুত গতিত শ্ৰমৰ বজাৰ সংকেত নাইবা বজাৰ চাহিদাৰ প্ৰতি সঁহাৰি জনাব পাৰে। ৰাজহুৱা খণ্ডই মানৱ সম্পদ বিকাশৰ কাৰ্যকলাপবোৰত নমনীয়তা অনাত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়।
- বিগত বছৰবোৰত ৰাজহুৱা খণ্ডই শিক্ষাগ্ৰহণকাৰীৰ পৰা সম্পদ সৃষ্টি কৰাত অসফল হৈছে। শিক্ষাই কম-বেছি পৰিমাণে বিনামূলীয়া ৰাজহুৱা সম্পত্তিৰ ৰূপ গ্ৰহণ কৰিছে। সেয়েহে শিক্ষা গ্ৰহণকাৰীৰ দৃষ্টিত শিক্ষা ব্যৱস্থাটোৰ অৱমূল্যায়ন ঘটিছে। ব্যক্তিগতকৰণে শিক্ষা সেৱা আগবঢ়োৱাৰ বাবদ মাচুল দাবী কৰিব পাৰে। ইয়াৰ ফলত শিক্ষা গ্ৰহণকাৰীৰ মনত দায়িত্ববোধৰ জন্ম হ'ব। আকৌ, নতুন ব্যৱস্থাটোৱে শিক্ষণ-শিকণ প্ৰক্ৰিয়াটো অধিক ফলপ্ৰসূ কৰাৰ লগতে শিক্ষাৰ গুণগত মান উন্নত কৰিব।
- বিগত কেইটামান দশকত ভাৰতীয় অৰ্থনীতিৰ দ্ৰুত বিকাশ ঘটিছে। ইয়াৰ ফলত শিক্ষিত আৰু দক্ষ লোকেৰে গঠিত শ্ৰম শক্তিৰ চাহিদাও বাঢ়িছে। গতিশীল অৰ্থনীতিৰ এই প্ৰয়োজনীয়তা পূৰাবলৈ ব্যক্তিগত উদ্যোগবোৰে ৰাজহুৱা শৈক্ষিক অনুষ্ঠানবোৰৰ দায়িত্ব ল'বলৈ আগবাঢ়ি আহিছে। বিগত কেইটামান দশকৰ পৰা ব্যক্তিগত খণ্ডবোৰেই দৰাচলতে ভাৰতীয় শিক্ষাৰ, বিশেষকৈ উচ্চ শিক্ষাৰ জগতত সামৰ্থ সৃষ্টি কৰাৰ কামটো সম্পাদন কৰি আহিছে।

### ৩.৫.২ ব্যক্তিগতকৰণৰ সুবিধা আৰু অসুবিধা (Advantages and Disadvantages of Privatization)

**সুবিধা ঃ**

১) ব্যক্তিগতকৰণৰ ফলত ৰাষ্ট্ৰৰ বোজা কমিছে। শিক্ষাৰ দায়িত্ব লোৱাৰ শক্তিশালী পন্থা হিচাপে ব্যক্তিগত শিক্ষানুষ্ঠানবোৰৰ পৰিচয় গঢ় লৈ উঠাটোক সেয়েহে এটা শুভ সংকেত বুলি ধৰি ল'ব পৰা যায়।

২) সম্পদ সীমাবদ্ধতাৰ বাবে উচ্চতৰ শিক্ষাক লৈ থকা নাগৰিকৰ গণতান্ত্ৰিক প্ৰত্যাশা

বহু সময়ত বাধাগ্ৰস্ত হৈছিল। শিক্ষাৰ ব্যক্তিগতকৰণে এই অসুবিধা নাইকিয়া কৰিছে।

৩) ব্যক্তিগতকৰণৰ জৰিয়তে নগৰ তথা গ্ৰামাঞ্চল, উন্নত তথা উন্নয়নশীল আদিৰ মাজত থকা জ্ঞানৰ বিভাজন কম কৰিব পৰা যায়। ব্যক্তিগতকৰণে জ্ঞান সহজে আহৰণ কৰিব পৰাকৈ তথা অধিক লোকৰ বাবে শিক্ষালাভৰ দুৱাৰ মুকলি কৰি দিয়ে।

৪) শিক্ষাৰ ব্যক্তিগতকৰণে ভাৰতক বিশ্ব প্ৰেক্ষাপটত চলি থকা আধুনিক ঔদ্যোগিক বিপ্লৱৰ প্ৰত্যাহ্বানবোৰৰ মুখামুখি হ'ব পৰাকৈ আগুৱাই নিব। লগতে ই দেশখনক তথ্য প্ৰযুক্তিৰ বিভিন্ন দিশত আগবাঢ়ি যোৱাতো সহায় কৰিব।

৫) শিক্ষাৰ ব্যক্তিগতকৰণৰ ফলত শিক্ষা সংক্ৰান্তীয় সকলো বোজা ব্যক্তিগত নিকায়বোৰে বহন কৰিব। চৰকাৰে বিকাশৰ অন্য বিষয়, যেনে- অৰ্থনীতি, সংস্কৃতি, বাণিজ্য আদিত মনোযোগ দিব পাৰিব।

৬) ব্যক্তিগতকৰণত বৈদেশিক বিনিময়ৰ সম্ভাৱনা আছে। ই উন্নয়নশীল, অনুন্নত দেশৰ ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিব পাৰে। ফলত বৈদেশিক বিনিময়ৰ পথ সুচল হৈ পৰিব।

৭) ব্যক্তিগতকৰণে শিক্ষণ আৰু শিকণ ব্যুৎপত্তি বিকাশৰ অধিক সুবিধা গঢ়ি তুলিব। ই শিক্ষাৰ ফলাফলৰ গুণগত মান উন্নত কৰাত সহায় কৰিব।

**অসুবিধা ঃ**

১) শিক্ষাৰ ব্যক্তিগতকৰণৰ ক্ষেত্ৰত গুণৰ নিশ্চিতি দিব পৰা নাযায়। ব্যক্তিগতকৰণৰ বাবে শিক্ষাৰ ভাৰসাযোগ্যতাও সন্দেহৰ বিষয় হৈ পৰিছে।

২) ব্যক্তিগতকৰণৰ বাবে আন্তঃসাংস্কৃতিক আৰু আন্তঃসামাজিক পৰিৱৰ্তন সংঘটিত হৈছে। কিন্তু এই আন্তঃসাংস্কৃতিক আৰু আন্তঃ সামাজিক পৰিৱৰ্তনবোৰ ভাৰতীয় মনে সহজে গ্ৰহণ নকৰিবও পাৰে।

৩) উচ্চ শিক্ষা প্ৰদানকাৰী ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানবোৰে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানতকৈ অধিক ভালদৰে অনুসূচিত জাতি/জনজাতি তথা অন্য পিছপৰা সম্প্ৰদায়বোৰৰ সামাজিক প্ৰয়োজনীয়তাবোৰৰ প্ৰতি সঁহাৰি জনোৱাৰ নিদৰ্শন আছে। ব্যক্তিগত খণ্ডৰ শৈক্ষিক অনুষ্ঠানবোৰত সামাজিকভাৱে অনগ্ৰসৰ সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ সুবিধা প্ৰদানৰ কোনো নিশ্চয়তা নাথাকে।

৪) ব্যক্তিগত খণ্ডত মাচুল গাঁথনিৰ কোনো সীমা নাথাকিবও পাৰে। সাধাৰণতে দেখা যায় যে ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানবোৰত ব্যৱস্থাপনা, অভিযান্ত্ৰিক, চিকিৎসা বিজ্ঞান আৰু সাধাৰণ শিক্ষাৰ ক্ষেত্ৰতো মাচুলৰ গাঁথনি ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানতকৈ বহুখিনি অধিক। ই সমাজৰ দুখীয়া শ্ৰেণীৰ ল'ৰা-ছোৱালীক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত নামভৰ্ত্তি কৰাৰ পৰা বঞ্চিত কৰিব পাৰে।

৫) সাধাৰণতে এয়াও দেখা যায় যে শিক্ষক নিৰ্বাচনৰ ক্ষেত্ৰত ব্যক্তিগত শিক্ষানুষ্ঠানবোৰৰ স্বীকৃত নীতি-নিয়মবোৰত নমনীয়তা আছে। এই নমনীয়তাৰ বাবে কেতিয়াবা এনে অনুষ্ঠানৰ মান নিম্ন হ'ব পাৰে। এই কথাটোৱে ছাত্ৰ-ছাত্ৰীক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে।

৬) শিক্ষক অধ্যাপকক স্বাধীনতা দিয়াৰ ক্ষেত্ৰত ব্যক্তিগত শিক্ষানুষ্ঠানবোৰ কঠোৰ। স্বাধীনতা নিয়ন্ত্ৰণৰ এই প্ৰচেষ্টাই শিক্ষা ব্যৱস্থাৰ গণতান্ত্ৰিক বিন্যাসত বাধাৰ সৃষ্টি কৰে।

৭) ব্যক্তিগতকৰণে শিক্ষানুষ্ঠানবোৰক অধিক স্ব-শাসনৰ সুবিধা দিব পাৰে। এনে শিক্ষানুষ্ঠানবোৰৰ পৰা লাভ কৰা ডিগ্ৰী/ডিপ্ল'মাবোৰৰ চাকৰি বজাৰখনত তথা উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰত গ্ৰহণযোগ্যতাৰ মাত্ৰা অজ্ঞাত। এই শিক্ষানুষ্ঠানবোৰে ৰাষ্ট্ৰীয় শিক্ষাবোৰ্ডবোৰৰ বাধ্যতামূলক মূল্যায়ন আৰু নম্বৰ দিয়া/শলাগনি প্ৰক্ৰিয়া (accreditation) মানি নচলিবও পাৰে।

### ৩.৫.৩ ৰাজহুৱা-ব্যক্তিগত অংশীদাৰত্ব আৰু শিক্ষা (Public Private Partnership and Education)

এটা ৰাজহুৱা ব্যক্তিগত অংশীদাৰত্ব (PPP) হ'ল চৰকাৰী সেৱা অথবা ব্যক্তিগত সেৱা প্ৰদানকাৰী প্ৰয়াস। চৰকাৰ আৰু এক অথবা একাধিক ব্যক্তিগত খণ্ডৰ কোম্পানীৰ অংশীদাৰত্বৰ জৰীয়তে এই প্ৰয়াসলৈ প্ৰয়োজনীয় বিত্তীয় পুঁজি আগবঢ়োৱা আৰু কাৰ্যসম্পাদন কৰা হয়। ই হ'ল ৰাইজলৈ সেৱা আগবঢ়াব বুলি ভবা কোনো প্ৰকল্প সম্পূৰ্ণ কৰাৰ উদ্দেশ্যেৰে এটা ব্যক্তিগত খণ্ডৰ কোম্পানী তথা চৰকাৰী এজেন্সী এটাৰ মাজত স্থাপিত হোৱা ব্যৱসায়িক সম্পৰ্কে। ৰাজহুৱা পৰিবহন নেটৱৰ্ক, উদ্যান আৰু অৱসৰ বিনোদন কেন্দ্ৰ আদিৰ দৰে প্ৰকল্পলৈ পুঁজি আগবঢ়োৱা এনে প্ৰকল্পৰ কাৰ্যসম্পাদন কৰা নাইবা প্ৰকল্প নিৰ্মাণৰ কামত ৰাজহুৱা ব্যক্তিগত অংশীদাৰত্ব ব্যৱহাৰ কৰিব পৰা যায়।

PPP বোৰে শিক্ষাৰ বজাৰখনত প্ৰতিযোগিতাৰ সৃষ্টি কৰিব পাৰে। ব্যক্তিগত খণ্ডই ৰাজহুৱা খণ্ডৰ সৈতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ প্ৰতিযোগিতা কৰিব পাৰে। ভাৰতত ৰাজহুৱা খণ্ডই এই প্ৰতিযোগিতাৰ প্ৰতি সঁহাৰি জনাব পৰাকৈ সুবিধা আছে। ইয়াৰ বাবে ৰাজহুৱা খণ্ডই প্ৰদান কৰি থকা শিক্ষাৰ গুণগত মান উন্নত কৰিব লাগিব। অধিকাংশ ৰাজহুৱা খণ্ডৰ চুক্তি অথবা ব্যৱস্থাতকৈ PPP চুক্তিবোৰ যথেষ্ট নমনীয় হ'ব পাৰে। সাধাৰণতে ব্যক্তিগত খণ্ডতকৈ শিক্ষক নিয়োগ আৰু বিদ্যালয় পৰিচালনা কৰা আদি ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ স্ব-নিয়ন্ত্ৰণৰ সুবিধা কম। শিক্ষাৰ চাহিদা আৰু যোগানৰ মাজত সমতা স্থাপন কৰিবলৈ PPP চুক্তিবোৰ অধিক উপযুক্ত।

PPP বোৰে শিক্ষাৰ ব্যক্তিগতকৰণ সম্ভৱ কৰি তোলাৰ ফলত এটা ৰাজহুৱা

খণ্ডৰ ওপৰত থকা চৰকাৰী নিয়ন্ত্ৰণ কমি যাব। ছাত্ৰ-ছাত্ৰী আৰু পৰিয়ালবোৰৰ বাবে শৈক্ষিক পচন্দৰ সংখ্যা বৃদ্ধি হোৱাৰ ফলত আৰ্থ-সামাজিক বিভাজনো বাঢ়িব পাৰে। কাৰণ, উপযুক্তভাৱে প্ৰস্তুত ছাত্ৰ-ছাত্ৰীখিনিয়ে উচ্চমানৰ বিদ্যালয়বোৰ নিজে নিজে বাছি ল'ব। এনে বিদ্যালয়ত শিক্ষালাভ কৰাৰ ফলাফলো উন্নত মানৰ হ'ব। PPPবোৰে সমাজৰ দুৰ্বল শ্ৰেণীৰ তথা কম মেধাবী ছাত্ৰ-ছাত্ৰীখিনিক এৰাই চলিব। এই ছাত্ৰ-ছাত্ৰীখিনি হ'ল শিক্ষিত পিতৃ-মাতৃৰ সমৰ্থনৰ পৰা বঞ্চিত তথা নিম্নমানৰ ৰাজহুৱা বিদ্যালয়ত পঢ়ি থকা ল'ৰা-ছোৱালী।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ৭ঃ ব্যক্তিগতকৰণ মানে কি?

..........................................................................

..........................................................................

প্ৰশ্ন নং ৮ঃ শিক্ষাৰ ব্যক্তিগতকৰণ ঘটাৰ এটা কাৰণ উল্লেখ কৰক।

..........................................................................

..........................................................................

প্ৰশ্ন নং ৯ঃ শিক্ষাৰ ব্যক্তিগতকৰণৰ সুবিধা তথা অসুবিধাবোৰ চমুকৈ লিখক।

..........................................................................

..........................................................................

প্ৰশ্ন নং ১০ঃ PPP ৰ সম্পূৰ্ণ ৰূপটো লিখক।

..........................................................................

..........................................................................

## ৩.৬ বিশ্বায়ন আৰু শিক্ষা (GLOBALIZATION AND EDUCATION)

### ৩.৬.১ বিশ্বায়ন আৰু শিক্ষাৰ অৰ্থ তথা ধাৰণা (Meaning and Concept of Globalization and Education)

'বিশ্বায়ন'ৰ অভিধাটো হ'ল এটা বহুমাত্ৰিক ধাৰণাৰ সমষ্টি। বিশ্বজনীন দিশত ব্যৱসায়-বাণিজ্য, প্ৰযুক্তি, উদ্যোগ তথা অৰ্থনীতিৰ হোৱা ৰূপান্তৰকে বিশ্বায়ন বুলি কোৱা হয়। বিশ্বায়নক আন্তঃৰাষ্ট্ৰীয়কৰণ, ৰাজনৈতিক তথা অৰ্থনৈতিক উদাৰীকৰণ আৰু এক কাৰিকৰী বিপ্লৱৰ সংমিশ্ৰণ বুলি ক'ব পৰা যায়। ই নীতি গঢ়োতাসকলক নতুন সুযোগ আগবঢ়ায় যদিও তেওঁলোকে বিশ্বায়ন তথা ইয়াৰ প্ৰভাৱ উভয়কে কেনেদৰে চম্ভালিব সেই সম্পৰ্কে চিন্তাৰো উদ্ৰেক ঘটায়। জীৱন যাপনৰ মান উন্নত কৰিবলৈ আৰু বৃহত্তৰ সমাজত নানা সুযোগৰ সদ্ব্যৱহাৰত সহায় কৰা সবাতোকৈ গুৰুত্বপূৰ্ণ কাৰকটো

হ'ল শিক্ষা। শিক্ষাই সামাজিক পৰিৱৰ্তনৰ কাৰণ আৰু সংকল্প হিচাপে কাম কৰে। ভাৰতত চলি থকা বিশ্বায়ন প্ৰক্ৰিয়াই শিক্ষা ক্ষেত্ৰলৈ পৰিৱৰ্তন কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে।

বৰ্তমানৰ পৃথিৱীখনক বিশ্বজনীন গাঁওলৈ ৰূপান্তৰ কৰাৰ পৰিঘটনাটো সংঘটিত হৈ আছে। সংযোগৰ ফলপ্ৰসূ মাধ্যম প্ৰয়োগ কৰি স্থানবোৰৰ মাজৰ দূৰত্ব হ্ৰাস কৰা হৈছে। বিশ্বখন এখন গাঁৱত পৰিণত হৈছে। অবিৰত ভাৱৰ আদান-প্ৰদান মানৰ অস্তিত্বৰ এক প্ৰয়োজনীয় উপাদানত পৰিণত হৈছে। অৰ্থনীতিৰ বিশ্বায়ন ঘটাৰ লগে লগে উচ্চ শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয়কৰণ (internationalization) ঘটাবলগীয়া হ'ল। কেৱল অৰ্থনৈতিক লাভালাভৰ বাবেই নহয় বৰ্দ্ধিত সামাজিক আন্তঃক্ৰিয়া আৰু আন্তঃৰাষ্ট্ৰীয় বুজাবুজিৰ পৃষ্ঠপোষকতা কৰাৰ বাবেও এই কামটো প্ৰয়োজনীয় হৈ পৰিল।

বিশ্বই এক নতুন শতিকা আৰু নতুন যুগত পদাৰ্পণ কৰিছে। যদি বিংশ শতিকাত পৃথিৱীৰ ৰাষ্ট্ৰবোৰৰ ভাগ্য ঔদ্যোগিক বিপ্লৱে গঢ় দিছিল বুলি ধৰা হয়, তেন্তে একবিংশ শতিকাত মানুহৰ ভাগ্য গঢ় দিয়াৰ কামটো তথ্য বিপ্লৱে সম্পাদন কৰিছে বুলি ক'ব লাগিব। একবিংশ শতিকাৰ 'জ্ঞান দৌৰ'ত প্ৰত্যেক দেশেই নিজ নিজ শিক্ষা ব্যৱস্থাত বিশ্বজনীন ব্যৱস্থাৰ বৰ্দ্ধিত অভিজ্ঞতা লাভ কৰিছে। বিশ্বায়নৰ দ্ৰুত গতিয়ে বিগত বছৰ কেইটামানত আৰ্ন্তজাতিক শিক্ষাৰ মাত্ৰা বৃদ্ধি কৰিছে।

### ৩.৬.২ সমাজত বিশ্বায়ন আৰু শিক্ষাৰ প্ৰভাৱ (Impact of Globalization and Education on Society)

বিশ্বৰ আৰ্থ-সামাজিক ব্যৱস্থাত ঘটা শেহতীয়া পৰিঘটনা এটা হ'ল বিশ্বায়ন। বিশ্বজনীন প্ৰতিযোগিতা হ'ল বিশ্বায়নৰ আধাৰ। সমগ্ৰ বিশ্বই এই কথা ভালদৰে বুজি উঠিছে যে কোনো এখন দেশেই সম্পূৰ্ণৰূপে স্ব-নিৰ্ভৰশীল হৈ চলিব নোৱাৰে। কোনো দেশেই উন্নয়নৰ বাবে প্ৰয়োজন হোৱা সকলোবোৰ সামগ্ৰী তথা সেৱা অকলে উৎপাদন কৰিব নোৱাৰে। এনে ক্ষেত্ৰত অৰ্থনীতিৰ বিশ্বায়ন হ'ল শুদ্ধ উত্তৰ। বিশ্বায়নে আমাক মুক্ত বাণিজ্যৰ সুবিধা বুজাত সহায় কৰে। ই আমাক তুলনামূলক সুবিধা (comparative advantage) আৰু শ্ৰম বিভাজনৰ (division of labour) কথাও বুজায়। একবিংশ শতিকা হ'ল জ্ঞানৰ শতিকা। জ্ঞানৰ যুগত বৌদ্ধিক গুণসম্পন্ন বিনিয়োজনৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত মানৱশক্তিৰ প্ৰয়োজন। এই মানৱশক্তিয়ে সমাজলৈ শক্তি আৰু উন্নতি কঢ়িয়াই আনে। বিশ্বায়নে শিক্ষা ব্যৱস্থাত বহুমাত্ৰিক প্ৰভাৱ পেলায়। ই সাধাৰণভাৱে সমগ্ৰ শৈক্ষিক ব্যৱস্থাটোৰ আৰু বিশেষভাৱে উচ্চ শিক্ষা পদ্ধতিৰ সংস্কাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত জোৰ দিয়ে।

সাম্প্ৰতিক দশকটোৱে বিশ্বায়নৰ লহৰ উঠাৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ বিশ্বতে ঘটা অভূতপূৰ্ব পৰিবৰ্তন প্ৰত্যক্ষ কৰিছে। বিশ্বায়নৰ ইতিবাচক আৰু নেতিবাচক মাত্ৰাৰ

দিশৰ পৰা ইয়াৰ প্ৰভাৱ সকলোতে সমানে পৰা নাই তথা ইয়াৰ প্ৰতি সঁহাৰিৰ প্ৰকাৰো ভিন্ ভিন্। মুক্ত অৰ্থনীতি আৰু সামগ্ৰী তথা সেৱাৰ মুক্ত সঞ্চৰণৰ জৰিয়তে বিশ্বায়ন তথা অৰ্থনৈতিক সংহতি সংঘটিত হয়। আৰু দেশৰ অৰ্থনীতিৰ সমৃদ্ধি আৰু উন্নয়ন বহুলাংশে দেশখনৰ সমাজৰ ওপৰত নিৰ্ভৰশীল। এই ক্ষেত্ৰত স্বীকৃত সামাজিক নীতি-নিয়ম (Social norms) আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰধান ভূমিকা পালন কৰে। নাগৰিকৰ কামৰ প্ৰতি মনোভাৱ, ন্যায়নিষ্ঠতাৰ মান আৰু স্বীকৃত সামাজিক ৰীতি-নীতিবোৰে সমাজ এখনৰ অৰ্থনৈতিক কাৰ্যকলাপ আৰু সমৃদ্ধিৰ ভেটি নিৰ্মাণ কৰে। অৰ্থনীতিবিদসকলে প্ৰায়েই চৰকাৰবোৰক মানৱ মূলধন গঢ়াত সহায় আগবঢ়োৱাৰ পৰামৰ্শ দিয়ে। যিকোনো অৰ্থনীতিৰে অধিকাংশ বৃদ্ধিৰ আঁৰতেই সঞ্চিত মানৱ মূলধনে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়ায়। 'জ্ঞান অৰ্থনীতি'ৰ (knowledge economy) ক্ষেত্ৰত এই কথাটো বিশেষভাৱে প্ৰযোজ্য। অৰ্থাৎ বৰ্তমান মানৱ সম্পদ এক গুৰুত্বপূৰ্ণ উপাদানত পৰিণত হৈছে। জ্ঞান অৰ্থনীতিয়ে 'কাৰ্যকুশল কৰ্ম শক্তি'ৰ (efficient work force) দাবী কৰে। কাৰ্যকুশলতাই তীব্ৰ প্ৰতিযোগিতামূলক বজাৰ এখনত 'বিকাশ' (Growth) সুনিশ্চিত কৰে। এক জ্ঞান অৰ্থনীতিত এখন জ্ঞানৰ দ্বাৰা পৰিচালিত চৰকাৰ থকাটো বাধ্যতামূলক। ৰাষ্ট্ৰই সেয়েহে সকলো নাগৰিককে সৰ্বোত্তম শিক্ষা লাভৰ সুযোগ আগবঢ়াব লাগে।



**অগ্ৰগতি নিৰীক্ষণ**

প্ৰশ্ন নং ১১ঃ 'বিশ্বায়ন'ৰ ধাৰণাটো ব্যাখ্যা কৰক।

.....................................................................................

.....................................................................................



## ৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমসাময়িক সমাজখনত বহুলভাৱে ব্যৱহৃত বৈশিষ্টপূৰ্ণ অভিধা দুটা হ'ল গণতন্ত্ৰ আৰু শিক্ষা। গণতন্ত্ৰৰ ধাৰণাটোৰ সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ আদৰ্শৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছে। উত্থানমুখী ভাৰতীয় সমাজৰ শিক্ষাৰ্থীসকলে গণতন্ত্ৰ, সমাজবাদ আৰু ধৰ্মনিৰপেক্ষতাবাদৰ বিষয়ে শুদ্ধ জ্ঞান বিকশাই তোলা উচিত। গণতন্ত্ৰ হ'ল জীৱন যাপনৰ এক পন্থা আৰু শিক্ষা হ'ল এই পন্থাৰ ব্যৱহাৰিক দিশ। মানুহৰ শক্তি আগতকৈ বৃদ্ধি কৰাত তথা দুৰ্বলতাবোৰ জয় কৰাত শিক্ষাই এক প্ৰধান ভূমিকা গ্ৰহণ কৰে। গণতন্ত্ৰই সদায় অন্য লোকৰ মৰ্যাদাক সন্মান কৰে। শিক্ষাৰ এক গণতান্ত্ৰিক আঁচনিত শিক্ষকৰ ভূমিকা অতি

গুৰুত্বপূৰ্ণ।

- উদাৰীকৰণ আৰু শিক্ষাৰ সমান্তৰালভাৱে বিকাশ ঘটি আছে। শিক্ষাৰ ক্ষেত্ৰখনত উদাৰীকৰণ বোলা ধাৰণাটোৱে শিক্ষাৰ এনে এক ব্যৱস্থা অথবা পাঠ্যক্ৰমৰ কথা বুজায় যিটো মুক্ত মানৱ সত্তাৰ কৰ্ষণৰ বাবে উপযুক্ত। উনবিংশ শতিকাত জন হেনৰী নিউমেন আৰু ই. ডি. মৌৰিছৰ দৰে চিন্তাবিদসকলে উদাৰ শিক্ষাৰ প্ৰতি সমৰ্থন আগবঢ়াইছিল। কেৱল নিয়োগ সাধ্যতাৰ বাবেই উদাৰ শিক্ষাৰ প্ৰয়োজন নহয়, গণতান্ত্ৰিক সমাজ গঢ়া তথা দৈনন্দিন জীৱন পৰিচালনা কৰাৰ বাবেও উদাৰ শিক্ষা প্ৰয়োজন।
- ব্যক্তিগতকৰণ হ'ল এটা তদাৰকীমূলক দৃষ্টিভংগী ব্যক্তিগতকৰণ হ'ল এনে এক প্ৰক্ৰিয়া যিটোৰ জৰিয়তে কোনো ব্যৱসায়, উদ্যোগ, এজেন্সী, ৰাজহুৱা সম্পত্তি আদিৰ মালিকীস্বত্ব ৰাজহুৱা খণ্ডৰ পৰা ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হয়। প্ৰাচীন ভাৰতীয় সমাজ শিক্ষা 'গুৰুকূল'ৰ পৰা আৰম্ভ কৰি 'মিছনেৰী' সকলৰ সময়লৈকে ব্যক্তিগত নিকায়বোৰে পৰিচালনা কৰিছিল। চৰকাৰী খণ্ডক মাজে সময়ে শিক্ষাৰ মহান লক্ষ্যত উপনীত হ'ব পৰাকৈ ব্যক্তিগত এজেন্সীবোৰলৈ উদাৰ অনুদান আগবঢ়োৱাৰ পৰামৰ্শ দিয়া হৈছিল। পৰৱৰ্তী সময়ত চৰকাৰ তথা ব্যক্তিগত এজেন্সীবোৰে ঘনিষ্ঠ সহযোগিতাৰে শিক্ষা খণ্ডৰ কাম কৰিবলৈ ধৰিলে। প্ৰাথমিক পৰ্যায়ৰ পৰা উচ্চ পৰ্যায়লৈকে শিক্ষাৰ সকলো ক্ষেত্ৰতে ব্যক্তিগত এজেন্সীবোৰে আধিপত্য বিস্তাৰ কৰি আছে। বৰ্তমান শিক্ষাক কেৱল এক সমাজ সেৱা বুলি গণ্য কৰা নহয়। ইয়াক এক প্ৰয়োজনীয় অৰ্থনৈতিক বিনিয়োগ বুলি ধৰা হয়। ৰাজহুৱা ব্যক্তিগত অংশীদাৰত্বই শিক্ষাৰ বজাৰত প্ৰতিযোগিতাৰ সৃষ্টি কৰিব পাৰে। ব্যক্তিগত খণ্ডই ছাত্ৰ-ছাত্ৰী লাভৰ বাবে ৰাজহুৱা খণ্ডৰ সৈতে প্ৰতিযোগিতাত নামিব পাৰে।
- বিশ্বায়ন হ'ল এটা বহুমাত্ৰিক ধাৰণা। ই বাণিজ্য, প্ৰযুক্তি, উদ্যোগ আৰু অৰ্থনীতিৰ বিশ্বজনীন দিশত হোৱা ৰূপান্তৰৰ কথা বুজায়। বিশ্বায়নে শিক্ষা ব্যৱস্থাক প্ৰভাৱিত কৰে। শিক্ষাই সামাজিক পৰিৱৰ্তনৰ কাৰণ আৰু সংকল্প হিচাপে কাম কৰে। বৰ্তমান বিশ্বখন মাত্ৰ এখন গাঁৱলৈ ৰূপান্তৰ হোৱাৰ পৰিঘটনাটো সংঘটিত হৈ আছে। বিশ্বায়নে শিক্ষা ব্যৱস্থালৈ অভূতপূৰ্ব পৰিবৰ্তন কঢ়িয়াই আনিছে। জ্ঞান অৰ্থনীতিৰ এক এৰাব নোৱাৰা উপাদান হ'ল এখন জ্ঞানৰ দ্বাৰা পৰিচালিত সমাজ। ৰাষ্ট্ৰই সেয়েহে সকলো নাগৰিককে বিশেষকৈ যুৱ প্ৰজন্মক সৰ্বোত্তম শিক্ষালাভৰ সুযোগ আগবঢ়াব লাগে।



## ৩.৮ অধিক জানিবলৈ


১) Dewey John : *Democracy and Education Orient Longman*, 1956.

২) Deka B., Hussain R. : *Foundation of Education Biswas* K., Bara M. Ashok Book stall, Guwahati-I, 2013